দৈনিক কাম-কাজৰ বিষয়ে জ্যেষ্ঠসকলক অৱগত কৰাব লাগে আৰু কোনো কামৰ শেহতীয়া স্থিতি সম্পর্কে নিয়মীয়াকৈ জনাই থাকিব লাগে।

৩ নং প্রশ্নৰ উত্তৰ ঃ সাংবাদিকসকলে সহজাত প্রবৃত্তিৰে অইনৰ আকাংক্ষা, ভয়, আশা, প্রয়োজনীয়তা আৰু অনুভৱ বুজি পোৱা হ'ব লাগিব। বিভিন্ন সংবাদ আৰু দৃষ্টিভংগী সংগ্রহ তথা প্রস্তুতিৰ কামত ক্ষেত্রভিত্তিকভাৱে ব্যস্ত হৈ থকাৰ সময়তো সাংবাদিকে অন্য লোকৰ আৱেগ-অনুভূতিক সন্মান জনাব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিগত অথবা ৰাজহুৱা খণ্ডৰ সংবাদ প্রতিষ্ঠানত কাম কৰা সকলো সাংবাদিকেই নিজ নিজ প্রতিষ্ঠানৰ প্রতি দায়ৱদ্ধ। ধন অথবা অন্য পার্থিৱ সা-সম্পত্তিৰ বিনিময়ত কাম কৰি থকা প্রতিষ্ঠানৰ কোনো গোপন তথ্য অথবা সংবাদ কোনো প্রতিদ্বন্দ্বী কোম্পানী প্রতিষ্ঠানক যোগান ধৰিব নোৱৰাকৈ সাংবাদিকসকল চুক্তিবদ্ধ। কর্মৰত প্রতিষ্ঠানটোৰ প্রতি থকা আনুগত্যই এগৰাকী সাংবাদিকৰ সেই প্রতিষ্ঠানটোৰ ভিতৰত স ফলতা সুনিশ্চিত কৰে।



২.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন নং ১ ঃ কোনো ব্যক্তিক সাংবাদিক হ'বলৈ উপযুক্ত প্রশিক্ষণৰ প্রয়োজন হয়নে ? কিয় ?

প্রশ্ন নং ২ ঃ সাংবাদিক কাক বোলে ? এগৰাকী ভাল সাংবাদিকৰ কি কি গুণ থাকে ?

প্রশ্ন নং ৩ ঃ সংবাদ প্রতিবেদন প্রস্তুত কৰাৰ সময়ত সাংবাদিকে বস্তুনিষ্ঠতা বর্তাই ৰাখেনে ? ব্যাখ্যা কৰক।

(খ) চুটি প্রশ্ন ঃ (প্রায় 150 টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সাংবাদিকে সমাজত কেনে ভূমিকা পালন কৰে ?

প্রশ্ন নং ২ ঃ সাংবাদিকৰ অধিকাৰ বুলিলে কি বুজে ? এই অধিকাৰবোৰ ব্যক্তিগত নাগৰিকৰ অধিকাৰৰ সৈতে একেনে ?

প্রশ্ন নং ৩ ঃ উন্নয়ন সংযোগৰ বাবে লোক মাধ্যমৰ ব্যৱহাৰ এটা উদাহৰণ আৰু মানুহৰ ওপৰত ইয়াৰ প্রভাৱ আলোচনা কৰক।

প্রশ্ন নং ৪ ঃ পৰম্পৰাগত মাধ্যমৰ পৃষ্ঠপোষকতা কৰা চৰকাৰী কর্তৃপক্ষবোৰৰ নাম লিখক।

প্রশ্ন নং ৫ ঃ পৰম্পৰাগত মাধ্যমৰ গুৰুত্ব সম্পর্কে মেক্ব্রাইড আয়োগৰ নিৰীক্ষণ কি ?

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সাংবাদিকৰ গাত থাকিবলগীয়া ব্যক্তিগত গুণবোৰ কি কি ?

প্রশ্ন নং ২ ঃ সাংবাদিকৰ ভূমিকা আৰু দায়িত্ববোৰ কি কি ?

****

অধ্যায় ৩ ঃ সাংবাদিকতাৰ প্ৰকাৰ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ সাংবাদিকতাৰ প্ৰকাৰসমূহ
৩.৩.১ ব্যৱহাৰিক দিশৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ
৩.৩.২ লিখিত পদ্ধতিৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ
৩.৩.৩ উপস্থাপন শৈলীৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ
৩.৪ বৃত্তি হিচাপে সাংবাদিকতা
৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৬ অধিক জানিবলৈ
৩.৭ অগ্ৰগতিৰ খতিয়ান
৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাংবাদিকতাৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে জানিব পাৰিব
- সাংবাদিকতাৰ কিছুমান বিশেষ ভাগৰ বিষয়ে জানিব পাৰিব
- সাংবাদিকতাৰ বিভিন্ন ক্ষেত্ৰসমূহৰ পৰ্যালোনাৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয়

আগৰ অধ্যায়টিত আপোনালোকে সাংবাদিক কাক কয় আৰু এজন ভাল সাংবাদিক হ'বলৈ কি কি গুণৰ প্ৰয়োজন সেই বিষয়ে জানিব পাৰিলে। এতিয়া আপোনালোকে সাংবাদিক এজনৰ বাবে কেনে ধৰণৰ নীতি-নিয়ম, দায়বদ্ধতা তথা অধিকাৰ আছে সেই বিষয়ে জনাটো প্ৰয়োজন। এই অধ্যায়টিত সাংবাদিকতাৰ প্ৰকাৰসমূহ তিনিটা দিশত ক্ৰমে ব্যৱহাৰিক, লিখিত আৰু উপস্থাপন শৈলীৰ ওপৰত ভিত্তি কৰি আলোচনা কৰা হ'ব। সাংবাদিকতাৰ বিভিন্ন

প্ৰকাৰসমূহৰ ওপৰত এক সম্যক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। যাৰ বাবে এই অধ্যায়টিত সাংবাদিকতাৰ কিছু ক্ষেত্ৰহে সামৰি লোৱা হৈছে। তোমালোকে স্নাতকোত্তৰ পাঠ্যক্ৰমত এই বিষয়ে বিশদভাৱে অধ্যয়ন কৰিব পাৰিবা।

৩.৩ সাংবাদিকতাৰ প্ৰকাৰ

সাংবাদিকতা মানে হ'ল তথ্য সংগ্ৰহ আৰু লেখা-মেলাৰ উপৰিও সম্পাদনাৰ জৰিয়তে বাতৰি এটা প্ৰকাশ কৰা। সাংবাদিকতাক সদায়ে এক ব্যতিক্ৰমী বৃত্তি হিচাপে ধৰা হয়। সাংবাদিকতাক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱাৰ লগতে সমগ্ৰ বিশ্বৰ চকু আৰু কাণ বুলিও কোৱা হয়। সাংবাদিকতাৰ ক্ষেত্ৰত সাংবাদিক হ'ল বাতৰিসমূহ বুজিব পৰাকৈ ৰাইজৰ মাজত দাঙি ধৰা এজন বাৰ্তাবাহক।

সাধাৰণতে কিছুমান দিশৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাক ভাগ কৰা হয়। এই অধ্যায়টিত ব্যৱহাৰিক, লিখিত আৰু উপস্থাপন শৈলীৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ বিষয়ে আলোচনা কৰা হৈছে।

৩.৩.১ ব্যৱহাৰিক দিশৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ

ক) ছপা সাংবাদিকতা ঃ ছপা মাধ্যমৰ সাংবাদিকতাই অনুসন্ধানমূলক আৰু আন বাতৰিসমূহ এক বৃহৎ সংখ্যক লোকৰ বাবে প্ৰকাশিত হোৱাটো সূচায়। ছপা মাধ্যমৰ সাংবাদিকতাৰ লক্ষ্য হ'ল জনসাধাৰণক বিভিন্ন তথ্য প্ৰদান কৰাৰ লগতে সমাজৰ সকলো দিশ, যেনে— কলা, শিক্ষা, দেশ-বিদেশৰ আমোদজনক খবৰ প্ৰদান কৰা। ছপা সাংবাদিকতাৰ বহুতো ভাগ আছে, যেনে— বাতৰিকাকত, আলোচনী, বাণিজ্যিক আলোচনী, বাৰ্তাপত্ৰ, ব্যক্তিগত প্ৰকাশন, অনলাইন নিউজ পেজ আদি। প্ৰতিটো ভাগৰে লিখিত শৈলী বেলেগ ধৰণৰ। দৈনন্দিন সংবাদসমূহৰ লগতে গুৰুত্বপূৰ্ণ বাতৰিসমূহ 'ইনভাৰটেড পিৰামিড' পদ্ধতিত লিখা হয়। আলেখ্যমূলক বাতৰিসমূহ সাধাৰণতে বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি লিখা হয়। আলোচনী আদিত প্ৰকাশিত প্ৰবন্ধসমূহৰ ক্ষেত্ৰত ইনভাৰটেড পিৰামিড পদ্ধতি ব্যৱহাৰ কৰা নহয়। বাণিজ্যিক আলোচনীসমূহ তথ্যভিত্তিক হোৱাৰ বিপৰীতে কোনো এটা ভাললগা বিষয়ক আলোচনীসমূহ আলেখ্যভিত্তিক।

খ) সম্প্ৰচাৰণ সাংবাদিকতা ঃ সম্প্ৰচাৰণ সাংবাদিকতা হ'ল ইলেক্ট্ৰ'নিক মাধ্যমৰ জৰিয়তে সংবাদ তথা তথ্যসমূহৰ ভিত্তিক সাংবাদিকতাৰ অন্তৰ্গত। তথ্যচিত্ৰ অথবা ভিডিঅ' ফুটেজৰ যোগেদি এই প্ৰকাৰৰ সংবাদ মাধ্যমে বাতৰি পৰিৱেশন কৰে। ৰেডিঅ' আৰু দূৰদৰ্শনৰ সাংবাদিকসকলে ক্ষিপ্ৰতাৰে বাতৰি সংগ্ৰহ কৰি সঠিক আৰু শুদ্ধ ৰূপত প্ৰকাশ কৰিব লাগে। টেলিভিশ্যনৰ সাংবাদিকসকল ভিডিঅ' ফুটেজৰ ওপৰত নিৰ্ভৰশীল। কেমেৰাৰ জৰিয়তে সংগ্ৰহ কৰা সাক্ষাৎকাৰ আৰু ভিডিঅ' ফুটেজৰ যোগেদি বাতৰি পৰিৱেশন কৰাৰ লগতে বাতৰি এটা

মনোগ্ৰাহীকৈ পৰিৱেশনৰ বাবে গ্ৰাফিক্সবোৰ ব্যৱহাৰ কৰে।

গ) অনলাইন সাংবাদিকতা ঃ অনলাইন সাংবাদিকতা হ'ল য'ত বাতৰি পৰিৱেশন আৰু সম্পাদনা অনলাইন অৰ্থাৎ ইণ্টাৰনেটৰ মাধ্যমেৰে কৰা হয়। ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলে কম সময়তে অধিক খবৰ ইয়াৰ জৰিয়তে লাভ কৰিব পাৰে। ছপা মাধ্যমৰ বহুতো বাতৰিকাকত আৰু আলোচনী অনলাইন সংস্কৰণতো উপলব্ধ। এনে সংবাদ গোষ্ঠীসমূহে নিজা নিজা ৱেব-ছাইটৰ যোগেদি বিভিন্ন ভিডিঅ', বিভিন্ন লেখনি আদি দৰ্শকৰ সুবিধাৰ বাবে প্ৰদান কৰে। ব্লগসমূহৰ বৃদ্ধিয়ে সাংবাদিকতাৰ ক্ষেত্ৰখনত কিছু পৰিৱৰ্তন আনি দিছে। ব্লগসমূহে বাতৰি পৰিৱেশনৰ লগতে সংবাদ আৰু মতামতৰ মাজত পৃথক কৰে।

৩.৩.২ লিখিত পদ্ধতিৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ

ক) বস্তুনিষ্ঠ সংবাদ ঃ বস্তুনিষ্ঠ সংবাদ হৈছে যেতিয়া কোনো ঘটনা ঘটে, তেতিয়া সেই ঘটনাৰ ওপৰত আলোকপাত কৰা। ইয়াত কোনো ব্যাখ্যা নাথাকে আৰু প্ৰত্যক্ষদৰ্শীৰ বিৱৰণেই বস্তুনিষ্ঠ সাংবাদিকতা। সাংবাদিকজনে লাভ কৰা তথ্যসমূহেই ইয়াত ব্যৱহাৰ কৰে।

তলত সাংবাদিকতাৰ উদ্দেশ্যসমূহ উল্লেখ কৰা হ'ল—

- বাতৰি পৰিৱেশন কৰোঁতে ভাৰসাম্য বহন কৰা।
- সঠিক আৰু শুদ্ধ ৰূপত বাতৰি সংগ্ৰহ কৰা।
- সত্যতাৰ পৰা মতামতক পৃথক কৰা কিন্তু মতামতক গুৰুত্ব প্ৰদান কৰা।
- লেখকৰ নিজৰ মতামত, মনোভাৱ প্ৰকাশৰ পৰা বিৰত থকা।
- অপৰাধজনিত কাম, মিথ্যাচাৰ আদি পৰিহাৰ কৰা।

বস্তুনিষ্ঠ সংবাদৰ এটা উদাহৰণ দাঙি ধৰা হ'ল—

বাতৰিটো ২০০৮ চনৰ ৮ এপ্ৰিল তাৰিখে কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানীয়ে ৰিপ'টাৰৰ দ্বাৰা—

গুৱাহাটী, এপ্ৰিল ৭ ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানীৰ এটা দলে গোলাঘাট জিলাৰ লগতে আন জিলাসমূহত বিষাক্ত কাঠফুলা ভক্ষণ কৰি মৃত্যু হোৱা ব্যক্তিসকলে অ'মানিটা ফেল'ইডছ ভেইল নামৰ বিষাক্ত কাঠফুলা ভক্ষণ কৰিছিল বুলি প্ৰমাণ কৰে। কৃষিমন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মই অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য এছ. এছ. বাঘেলক এই ঘটনাৰ তদন্ত কৰিবলৈ আদেশ দিয়ে। গোলাঘাটৰ এই ঘটনাটোত এই পৰ্যন্ত সাতজন ব্যক্তিৰ মৃত্যু হয়। স্বাস্থ্য বিভাগ আৰু ৰাজ্যিক কৃষি বিভাগৰ উচ্চ পদস্থ বিষয়াসকলে গাঁওবাসীক সোধ-পোছ কৰা সময়ত এই কথা পোহৰলৈ আহে যে বাৰিষাৰ প্ৰথমজাক বৰষুণৰ সময়ত কাঠফুলাবোৰ অধিক বিষাক্ত হৈ পৰে।

খ) বিশ্লেষণমূলক সাংবাদিকতা ঃ বিশ্লেষণমূলক সাংবাদিকতাই চৰকাৰৰ সংবাদ নীতি আৰু কাৰ্যসূচীসমূহৰ পৰ্যালোচনা আগবঢ়ায়। সংবাদ মাধ্যমে চৰকাৰৰ নীতি-নিৰ্দেশনাসমূহ

ভালদৰে বিশ্লেষণ কৰে আৰু সেই নীতি-নিৰ্দেশনাসমূহৰ ভাল-বেয়া দিশবোৰ সমাজৰ আগত দাঙি ধৰে। ছপা মাধ্যমত এই বিষয়সমূহৰ বিশ্লেষণ প্ৰকাশ পোৱাৰ লগতে টেলিভিশ্যন আৰু ৰেডিঅ'ত বিশিষ্ট ব্যক্তিসকলক আমন্ত্ৰণ কৰি আলোচনা-চক্ৰৰ সম্প্ৰচাৰ কৰে। সেয়েহে, বিশ্লেষণমূলক সাংবাদিকতাই বিভিন্ন বিষয়ত জনসাধাৰণক শিক্ষিত কৰি তোলে।

বিশ্লেষণমূলক সাংবাদিকতাই পুংখানুপুংখভাৱে কোনো এটা সংবাদৰ বিশ্লেষণ আগবঢ়ায়। বহু ক্ষেত্ৰত সাংবাদিকে কোনো এটা বিষয় জনসাধাৰণে বুজি পাবলৈ বিশ্লেষণ কৰিব লগা হয়। কোনো এটা সংবাদ জনসাধাৰণক জনাবলৈ সংবাদটোৰ অতীতৰ কিছু তথ্য বিশ্লেষণ সহকাৰে দাঙি ধৰিব লাগে। ক্ষেত্ৰভিত্তিক তথ্যৰ উপৰিও বাতৰি এটা অধিক মনোগ্ৰাহীকৈ প্ৰকাশ কৰিবৰ বাবে অতীতৰ কিছু বিৱৰণ দাঙি ধৰিব পাৰি।

এদিনতে কোনো এটা ঘটনা শেষ কৰিব নোৱাৰি। তেনে ক্ষেত্ৰত ধাৰাবাহিকভাৱে এটা ঘটনা প্ৰচাৰ কৰা হয়। সাংবাদিকে যেতিয়া কোনো এটা ঘটনাৰ উপযুক্ত আৰু হুবহু বিৱৰণ দাঙি ধৰিব তেনে সংবাদে জনসাধাৰণক অধিক উপকৃত কৰিব। তদুপৰি অতীত আৰু বৰ্তমানৰ পৰ্যালোচনাও সহায়ক হ'ব। সেইবাবেই বিশ্লেষণমূলক সাংবাদিকতাই ঘটনাৰ অন্তৰ্নিহিত বৈশিষ্ট্য অধিক সুন্দৰকৈ জনসাধাৰণৰ আগত দাঙি ধৰিব পাৰে।

এটা উদাহৰণৰ সহায়ত বিশ্লেষণমূলক সাংবাদিকতাক তলত দাঙি ধৰা হ'ল। ২০০৮ চনৰ ২৭ জুন তাৰিখে আই-বি-এনত বাতৰিটো প্ৰকাশ হৈছিল।

কংগ্ৰেছ-সমাজবাদী পার্টীৰ মিত্ৰজোঁট

সুমিত পাণ্ডে/চিএনএন-আইবিএন

নতুন দিল্লী ঃ ইণ্ডো-ইউএছ নিউক্লিয়াৰ চুক্তিৰ ক্ষেত্ৰত কোনো এক বুজাপৰাত উপনীত হ'ব নোৱৰাটোৰেই কংগ্ৰেছ শাসিত ইউ-পি-এ চৰকাৰখনৰ বাবে এক বৃহৎ ৰাজনৈতিক অৱক্ষয়। বাঁওপন্থী দলসমূহে ইয়াৰ বিৰোধিতা কৰাৰ বাবে কংগ্ৰেছ শাসিত ইউ-পি-এ চৰকাৰখনে বাঁওপন্থী দল ত্যাগ কৰি নতুন মিত্ৰজোঁটৰ সন্ধান কৰিছে। এই ক্ষেত্ৰত কংগ্ৰেছৰ প্ৰাক্তন বিৰোধী মুলায়ম সিং যাদবে ইংগিত প্ৰদান কৰিছে।

মুলায়ম সিং যাদব জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে গঢ়ি উঠা জে পি আন্দোলনৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। জৰুৰীকালীন অৱস্থাৰ ৩০ বছৰ পাছত সমাজবাদী পার্টীৰ সভাপতি মুলায়ম সিং যাদবে জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে যুঁজ দিয়াসকলৰ বাবে এখন মঞ্চৰ ব্যৱস্থা কৰিছিল। তেখেতে নিজৰ অভিজ্ঞতাসমূহ বৰ্ণনা কৰিছিল, কিন্তু চক্ৰান্তমূলকভাৱে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু কংগ্ৰেছ দলৰ নাম লোৱা নাছিল। তেলুগু দেশম পার্টী, অসম গণ পৰিষদ আৰু সমাজবাদী পার্টীয়ে নিউক্লিয়াৰ চুক্তিৰ ক্ষেত্ৰত সমর্থন প্ৰদান কৰা নাছিল। মুলায়ম সিং যাদবে কৈছিল, "এতিয়ালৈকে সম্পূৰ্ণ খচৰা প্ৰস্তুত হৈ উঠা নাই। ইউ-এন-পি-এ অহা ৩ জুনত এখনত বৈঠকত মিলিত হ'ব আৰু তাতেই সিদ্ধান্ত লোৱা হ'ব নিউক্লিয়াৰ চুক্তিক সমর্থন কৰা হ'ব নে নহয়। যি সিদ্ধান্তই গ্ৰহণ কৰা হ'ব সেয়া ইউ-এন-পি-এ গ্ৰহণ কৰা হ'ব সমাজবাদী পার্টীয়ে নহয়। উত্তৰ প্ৰদেশত আগন্তুক সাধাৰণ নিৰ্বাচনত মায়াৱতীক প্ৰত্যাহ্বান জনাবৰ বাবেই

মুলায়ম সিং যাদবক মিত্রজোঁটৰ প্রয়োজন। যি কংগ্রেছ আৰু অজিত সিঙৰ আৰু এল-ডিৰ জৰিয়তে হৈ উঠাটো সম্ভৱ।

সমাজবাদী পার্টীৰ ৩৯ জন সাংসদে নিউক্লিয়াৰ চুক্তিত সমর্থন আগবঢ়ায়। বাঁওপন্থী দলে সমর্থন উঠাই লোৱাৰ পৰিপ্রেক্ষিততে ৩৯জন সাংসদে চৰকাৰলৈ সমর্থন আগবঢ়ায়।

ইউ-পি-এৰ নেতা ৰামবিলাস পাছোৱানে কয় যে তেওঁলোকে সমাজবাদী পার্টীক বিকল্প হিচাপে ৰাখিব। তেখেতৰ ভাষাত 'আমি উইকেট হেৰুৱাব নোখোজো। কিন্তু একে সময়তে ৰাণৰ অগ্রগতি বৃদ্ধি কৰিব লাগিব।"

ইফালে দেওবাৰে সমাজবাদী পার্টীৰ সাধাৰণ সম্পাদক অমৰ সিং ইউ-এছৰ পৰা আহি পাইছে। অহা সপ্তাহত ইউ-এন-পিৰ বৈঠকৰ পাছতেই মুলায়ম সিং যাদবে খুব সম্ভৱ প্রধানমন্ত্রী জি৮ সন্মিলনত ভাগ ল'বলৈ যোৱাৰ আগতেই ঘোষণা কৰা সম্ভাৱনা আছে।

গ) অনুসন্ধানমূলক সাংবাদিকতা ঃ যেতিয়া এজন সাংবাদিকে সংবাদ এটাৰ অন্তর্নিহিত কাৰণসমূহ ৰাইজৰ আগত দাঙি ধৰিবলৈ এক বিশেষ প্রক্রিয়াৰ মাজেৰে আগুৱাই যায় তেতিয়া তাক অনুসন্ধানমূলক সাংবাদিকতা বুলি কোৱা হয়। অনুসন্ধানমূলক সাংবাদিকতাই এক দীঘলীয়া অনুসন্ধানৰ জৰিয়তে বাতৰিৰ সত্যতা প্রচাৰ কৰে। নজনা খবৰসমূহ অনুসন্ধানমূলক সাংবাদিকতাৰ জৰিয়তে ফাদিল কৰা হয়। ৰাজহুৱা স্বার্থজড়িত জনপ্রিয় ব্যক্তি, তাৰকাসকলৰ ক্ষেত্রত অনুসন্ধানমূলক সাংবাদিকতা প্রযোজ্য হয় সংবাদ পৰিৱেশনৰ বাবে। সত্য বাতৰি এটা প্রকাশৰ বাবে সকলো বাতৰিৰ ক্ষেত্রত সাংবাদিক এজনে প্রাথমিক অনুসন্ধান কৰিব লাগে।

প্রাথমিক অনুসন্ধানৰ অবিহনে বাতৰি এটা সম্পূর্ণ হ'ব নোৱাৰে। দুর্নীতি, ৰাজহুৱা ধনৰ অপব্যৱহাৰ এই ধৰণৰ বাতৰিৰ ক্ষেত্রত সাংবাদিকজনে এক উপযুক্ত অনুসন্ধানৰ জৰিয়তে প্রামাণিক তথ্য ৰাজহুৱা কৰিব পাৰে। এনে ক্ষেত্রত তথ্য লাভ কৰাটো কঠিন হয় যদিও সাংবাদিকজনে নিজৰ সম্পূর্ণ চেষ্টা আৰু সময় দিয়াটো খুবেই প্রয়োজন।

আমেৰিকাৰ জনপ্রিয় সাংবাদিক ৰবার্ট পেৰীয়ে কৈছে, "অনুসন্ধানমূলক সাংবাদিকতা হ'ল বিজ্ঞানসন্মত গৱেষণাৰ জৰিয়তে নতুন নতুন তথ্যৰ উদ্‌ঘাটন কৰা। যাৰ জৰিয়তে জনসাধাৰণে বুজি পায়।"

বর্তমান সময়ত অনুসন্ধানমূলক সাংবাদিকতা অতিকৈ জনপ্রিয়। ইয়াৰ যোগেদি পুৰণি অসত্যতা ফাদিল কৰাৰ লগতে ভণ্ড নেতা আৰু দুর্নীতিপৰায়ণ বিষয়াৰ মুখ খুলিব পাৰি। অনুসন্ধানমূলক সাংবাদিকতা বর্তমান জনসাধাৰণক বিপথে পৰিচালিত কৰা নীতিৰ বাবে এক প্রত্যাহ্বান। আধুনিক সাংবাদিকতাত অনুসন্ধানমূলক সাংবাদিকতা সকলোতকৈ সক্রিয় গণতান্ত্রিক ৰক্ষক হিচাপে বিবেচনা কৰা হয়। তদুপৰি সত্য প্রতিষ্ঠাৰ বাবে ই এক শক্তিশালী মাধ্যম। অনুসন্ধানমূলক সাংবাদিকতা সংবাদ মাধ্যমৰ বাবে প্রহৰী স্বৰূপ।

১৯৭৯ চনত অৰুণ চুৰীয়ে দ্যা ইণ্ডিয়ান এক্সপ্রেছ কাকতৰ কার্যবাহী সম্পাদক পদ গ্রহণ কৰাৰ পাছতেই ভাৰতবর্ষত অনুসন্ধানমূলক সাংবাদিকতাৰ বীজ ৰোপণ কৰিছিল। তেওঁ এক নতুন সক্রিয়, স্বাধীন অনুসন্ধানমূলক সাংবাদিকতা শৈলীৰ পাতনি মেলে। ধাৰাবাহিকভাৱে,

তেওঁ চৰকাৰৰ বহু দুৰ্নীতি দ্যা ইণ্ডিয়ান এক্সপ্ৰেছ কাকতৰ জৰিয়তে ফাদিল কৰিছিল।

বৰ্তমান সাংবাদিকসকলে ছপা মাধ্যমতকৈ অডিঅ'-ভিজুৱেল মাধ্যমৰ জৰিয়তে ষ্ট্ৰিং অপাৰেশ্যনৰ জৰিয়তে অনুসন্ধানমূলক সাংবাদিকতাৰ কাম কৰে। দৃঢ়তা, ধৈর্য্য, সাৱধানতা আৰু শুদ্ধতা অনুসন্ধানমূলক সাংবাদিকতাৰ গুৰুত্বপূৰ্ণ সম্পদ। নৈতিকতা ৰক্ষা কৰাটো অনুসন্ধানমূলক সাংবাদিকতাৰ বাবে গুৰুত্বপূৰ্ণ বিষয় নহ'লে ভাল হোৱাতকৈ বেয়া হোৱাটো স্বাভাৱিক। সাংবাদিকসকলে সত্য উদ্‌ঘাটন কৰি প্ৰকৃত ৰূপত প্ৰকাশ কৰিব লাগে। অনুসন্ধানমূলক সাংবাদিকতাত শত্ৰুতা ভাৱ ৰাখি কৰা উচিত নহয়, বৰং সত্যৰ ওপৰত প্ৰতিষ্ঠিত কৰিব লাগে। যদি কাৰোবাক অপমান অথবা উত্তেজিত কৰিবৰ বাবে অনুসন্ধানমূলক সাংবাদিকতাৰ ব্যৱহাৰ কৰা হয়, তেনেহ'লে সাংবাদিক জগতখনৰ বাবে শংকা আহি পৰিব।

মুক্ত সাংবাদিকতাৰ সৈতে জড়িত অৰুণ সাধুৰ মতে, "অনুসন্ধানমূলক সাংবাদিকতাৰ বাবে প্ৰকৃতাৰ্থত প্ৰয়োজন এটা স্বাধীন আৰু বহুমুখী মাধ্যমৰ। য'ত নিৰ্ভীক গণতন্ত্ৰৰ প্ৰতি দায়বদ্ধ,মানৱতাবোধ থকা সাংবাদিকে ধৈর্য্য, কৌশলৰ জৰিয়তে মালিক আৰু সম্পাদকৰ মাজত পক্ষপাতিত্ব দূৰ কৰি জনমতক গুৰুত্ব দিয়া।

ইয়াত যথেষ্ট আকস্মিক দুৰ্ঘটনাৰ সম্ভাৱনা থকাৰ লগতে যিকোনো বিপদজনক পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰা ক্ষমতা অতি প্ৰয়োজন। বাতৰিৰ গভীৰতা বিচাৰি দুৰ্গম অঞ্চল, যেনে— উগ্ৰপন্থীৰ ঘাটি, যুদ্ধ, বেশ্যালয়, জংঘল আদিলৈ যাব লগা হ'লে সাৱধানতা অৱলম্বন কৰিব লাগে। এনে পৰিস্থিতিত আত্মৰক্ষাৰ বাবে গোপন কেমেৰা ৰাখিব লাগে যি নতুন তথ্য উদ্‌ঘাটনত সহায়ক হ'ব। এইখিনিতে টেহেলকা ডট কমৰ কথা ক'ব পাৰি যি ২০০০ চনৰ পৰা ভাৰতবৰ্ষৰ অনুসন্ধানমূলক সাংবাদিকতাৰ ক্ষেত্ৰখনত এক নতুনত্বৰ সূচনা কৰিছে। ভাৰতীয় ক্ৰিকেট আৰু প্ৰতিৰক্ষা বিভাগত হোৱা দুৰ্নীতিৰ তথ্য ফাদিল কৰিছিল। গোপন কেমেৰাৰ সহায়ত সেই সময়ৰ ক্ৰিকেট দলৰ অধিনায়কজনৰ বহুতো তথ্য ফাদিল কৰিছিল। যাৰ পৰিপ্ৰেক্ষিতত তাৰকাগৰাকীৰ মুখা খোল খাইছিল। এই ঘটনাৰ পাছত বহুতো ক্ৰীড়াপ্ৰেমী নিৰুৎসাহিত হৈছিল। যি কি নহওক এই অনুসন্ধানমূলক ঘটনাই দুৰ্নীতিত গেলিবলৈ ধৰা খেলবিধক ৰক্ষা কৰে।

টেহেলকাই যেতিয়া প্ৰতিৰক্ষা বিভাগৰ তথ্যসমূহ ফাদিল কৰিছিল য'ত কিছুমান ৰাজনীতিক, আৰ্মী বিষয়া আৰু অস্ত্ৰৰ লেনদেন কৰা ব্যক্তিৰ কথাই ৰাইজক আচৰিত কৰি তুলিছিল। ৰাজনীতিক আৰু উচ্চপদস্থ বিষয়াই কোম্পানীৰ পৰা ঘোচ লোৱা ভিজুৱেলসমূহে সংসদত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। যাৰ বাবে এখন তদন্ত কমিটীৰো গঠন হৈছিল।

২০০৫ চনত 'অপাৰেশ্যন দুৰ্যোধন' নামেৰে আন এক অনুসন্ধানমূলক সাংবাদিকতা প্ৰায় ৯ মাহ ধৰি আজটক্ নামৰ নিউজ চেনেলটোৱে চলাইছিল। সংসাদৰ ১১ জন সাংসদে টকা লোৱা ভিডিঅ' ফুটেজ তেওঁলোকে লাভ কৰিছিল। ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত এইটোৱেই প্ৰথম ষ্ট্ৰিং অপাৰেশ্যন আছিল, য'ত গোটেইকেইজন সাংসদকে বৰ্খাস্ত কৰিছিল। ইয়াৰে ১০জন লোকসভাৰ আৰু এজন ৰাজ্যসভাৰ সদস্য আছিল।

আজটকে পুনৰ ২০০৫ চনতে তিহাৰ জেলত ঘোচ লোৱাৰ এক তথ্য ফাদিল কৰিছিল। কিদৰে জেলত কৰ্তৃপক্ষ দুনীতিত জড়িত আছিল, কিদৰে অকৰ্তৃত্বশীল ব্যক্তি অনায়াসে প্ৰৱেশ কৰিব পাৰিছিল, টকা-পইচাৰ লগতে অন্য বস্তু কিদৰে সৰবৰাহ কৰিছিল এই সকলোবোৰ তথ্য ফাদিল কৰিছিল। এই তথ্যসমূহ ফাদিলৰ পাছতে দুজন মুখ্য পৰিদৰ্শক, ৪জন সহায়ক পৰিদৰ্শকৰ লগতে তিনিজন মুখ্য তত্ত্বাৱধায়ক আৰু চাৰিজন তত্ত্বাৱধায়কক বৰ্খাস্ত কৰা হৈছিল।

৩.৩.৩ উপস্থাপন শৈলীৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ

ক) বিজ্ঞান সাংবাদিকতা ঃ সাংবাদিকতাৰ ক্ষেত্ৰখনত বিজ্ঞান সাংবাদিকতা এটা নতুন বিষয় য'ত সাংবাদিক এজনে বিজ্ঞান বিষয়ক তথ্যসমূহ প্ৰকাশ কৰে। বিজ্ঞান সাংবাদিক এজনে বিষয়টো সুন্দৰভাৱে জনা হ'ব লাগিব। তদুপৰি সাধাৰণ জনতাই বুজি পোৱা বিজ্ঞানভিত্তিক খবৰসমূহ বিজ্ঞান সাংবাদিক এজনে প্ৰকাশ কৰাটো দায়িত্ব। সুন্দৰ তথা সহজ-সৰল ভাষাত প্ৰকাশৰ লগতে কাৰিকৰী শব্দৰ নামসমূহো জনাটো দৰকাৰ।

খ) ক্ৰীড়া সাংবাদিকতা ঃ ক্ৰীড়া সাংবাদিকতাই বিভিন্ন খেলৰ লগত জড়িত বাতৰিসমূহ প্ৰকাশ কৰে। লাহে লাহে খেলৰ প্ৰতি মানুহ আকৰ্ষিত হ'বলৈ ধৰিছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খেলক জনপ্ৰিয় কৰি তোলাৰ লগতে ক্ৰীড়া জগতত উপযুক্ত কেৰিয়াৰৰো সৃষ্টি কৰিছে। পশ্চিমীয়া সংস্কৃতিত খেলৰ জনপ্ৰিয়তাই সাংবাদিকসকল প্ৰতিযোগিতাসমূহৰ লগতে ক্ৰীড়া আৰু ব্যৱসায়িক দিশটোৰ প্ৰতিও আকৰ্ষিত কৰিছে। সাংবাদিকতাৰ অন্য ক্ষেত্ৰসমূহৰ দৰে ক্ৰীড়া সাংবাদিকতাতো উপযুক্ততা আৰু শুদ্ধতাৰ প্ৰয়োজন।

গ) মানৱীয় আবেদনসমৃদ্ধ সাংবাদিকতা ঃ আমেৰিকান লেখক হাণ্টাৰ এছ. থমছনে এইবিধ সাংবাদিকতাক জনপ্ৰিয় কৰি তুলিছিল। একেঘেয়ামি সংবাদসমূহে মানুহক বিৰক্ত কৰি তোলে। সেয়েহে বিভিন্ন ধৰণৰ সাংস্কৃতিক, ক্ৰীড়া, দাৰ্শনিক, সাহিত্য, মনোৰঞ্জনৰ বিষয়বস্তুৰে মানৱীয় আবেদন সমৃদ্ধ সাংবাদিকতা জড়িত। ৰ'লিংষ্টন নামৰ আলোচনীখনে এনে ধৰণৰ সাংবাদিকতা আগবঢ়ায়।

ঘ) তাৰকাসকলৰ লগত জড়িত সাংবাদিকতা ঃ বোলছবি জগত আদিৰ সৈতে জড়িত ব্যক্তিৰ ব্যক্তিগত জীৱন, তেওঁলোক কেনেদৰে ব্যস্ত থাকে এই ধৰণৰ সংবাদৰ লগত জড়িতসকলকে বুজায়। তাৰকাসকলৰ লগত জড়িত সাংবাদিকতা ৰাষ্ট্ৰীয় পৰ্যায়ৰ টেবলয়ড বাতৰিকাকত নেশ্যনেল এনকুইৰাৰ আৰু আলোচনী ক্ৰমে পিপল্ আৰু ইউ-এছ উইক্‌লীত প্ৰকাশ পায়। এই ধৰণৰ সাংবাদিকতাই জনপ্ৰিয় তাৰকাসকলৰ বাতৰিৰ লগতে ফটো প্ৰকাশ কৰে যাৰ বাবে বুজন পৰিমামৰ ধনো প্ৰদান কৰিব লাগে।

ঙ) সন্মিলিত সাংবাদিকতা ঃ সন্মিলিত সাংবাদিকতা সাংবাদিকতাৰ জগতখনৰ এটা গুৰুত্বপূৰ্ণ ভাগ য'ত সাংবাদিকতাৰ বিভাগৰ বিভিন্ন ভাগসমূহ ছপা মাধ্যম, ফটো আৰু ভিডিঅ' মাধ্যমে একেলগে সন্মিলিতভাৱে কাম কৰে। উদাহৰণ স্বৰূপে চি-এন-এন নিউজ চেনেলটোৱে এই

ধৰণৰ সাংবাদিকতা অনুসৰণ কৰে।

চ) উন্নয়নমূলক সাংবাদিকতা ঃ উন্নয়নমূলক সাংবাদিকতা হৈছে এনেধৰণৰ সাংবাদিকতা যি উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। উন্নয়নমূলক যোগাযোগ গ্ৰাম্য আৰু নগৰ অঞ্চলৰ জনসাধাৰণৰ জীৱন সুখময় কৰি তুলিছে। সংবাদ মাধ্যমে চৰকাৰে গ্ৰহণ কৰা প্ৰতিটো উন্নয়নমূলক আঁচনিৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ চেষ্টা কৰে। এই উন্নয়নমূলক সাংবাদিকতা বুলি কোৱা হয়।

উন্নয়নমূলক সাংবাদিকতা বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ ধাৰণা। ই উন্নয়নমূলক কাম-কাজসমূহৰ সংবাদ পৰিৱেশন কৰাটো বুজায়। বৰ্তমান উন্নয়নমূলক সাংবাদিকতাই কেৱল উন্নয়নৰ সংবাদ পৰিৱেশনকে নুবুজায়, ই অবিকশিত বিষয় এটাকো উন্নত পৰ্যায়লৈ আনিবৰ বাবে সহায় কৰে।

এজন সাংবাদিকে সমাজ উন্নয়নৰ বিষয়ক লৈ হৈ থকা কাম-কাজসমূহৰ চকু ৰাখিব লাগিব। উন্নয়নমূলক যোগাযোগৰ প্ৰধান লক্ষ্য হ'ল এই কাম-কাজসমূহৰ বিষয়ে সংবাদ মাধ্যমৰ জৰিয়তে ৰাইজক অৱগত কৰোৱা। যাৰ জৰিয়তে বৃহৎ সংখ্যক ব্যক্তিয়ে এই বিষয়ে জানিব পাৰিব। এই মুহূৰ্তত আপুনি মনত পেলোৱা উচিত যে সংবাদ মাধ্যমৰ ধনাত্মক বা ঋণাত্মকভাৱেই হওক এক যাদুকৰী শক্তি আছে। এটা উদাহৰণ সহকাৰে উল্লেখ কৰা হ'ল। কিছু বছৰ পূৰ্বে অসমৰ এখন জিলাৰ আদা খেতিৰ কৃষকসকলে একেলগ হৈ এখন সমবায় খোলাৰ বাতৰি আপানোলোকে বাতৰিকাকতত পঢ়িবলৈ পাইছিল। এই সমবায়খন খোলাৰ উদ্দেশ্য আছিল মধ্যস্থতাকাৰীসকলৰ শোষণ ৰোধ কৰা। এই আঁচনিখন জিলা উপায়ুক্তৰ হস্তক্ষেপত অতি সোনকালে কাৰ্যকৰী হৈ উঠিছিল। যাৰ বাবে কৃষকসকল আৰ্থিকভাৱে সবল হোৱাৰ লগতে এক আত্মবিশ্বাস গঢ় লৈ উঠিছিল। গতিকে এই ধৰণৰ বাতৰি পঢ়াৰ পাছত বৃহৎ সংখ্যক লোকৰ মাজত এক ধনাত্মক প্ৰভাৱ পৰিব। সেয়েহে ই এক ভাল পদক্ষেপ হোৱাৰ লগতে কৃষকসকলক উৎসাহিত কৰিব। যদি আমি এই ধৰণৰ সুবিধা দৰিদ্ৰ, অশিক্ষিত ব্যক্তিসকলৰ বাবে বৃদ্ধি কৰো তেনেহ'লে নিশ্চিতভাৱে উপকৃত হ'ব।

আন এক উদাহৰণ দাঙি ধৰা হ'ল। কিছু বছৰ পূৰ্বে অসমৰ এখন জিলাৰ প্ৰায় ১০০টা আত্মসহায়ক গোটে এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ পৰা ঋণ লয়। এই আত্মসহায়ক গোটসমূহে সমুদায় ঋণৰ ধন ওভতাই দিয়াৰ বাবে তেওঁলোকলৈ বেংকটোৱে পুনৰ ঋণ প্ৰদান কৰে। ইয়াৰ উপৰিও কিছু বছৰ পূৰ্বে কেৰালাৰ এখন গাঁও পঞ্চায়তে শীতল পানীয় কোম্পানীটোৰ অনুজ্ঞা-পত্ৰ বাতিল কৰাৰ বাতৰি প্ৰকাশিত হৈছিল। কিয়নো কোম্পানীটোৱে অনুমোদন জনোৱা পৰিমাণতকৈ অধিক পানী ব্যৱহাৰ কৰিছিল। পাছত কোম্পানীটোৱে অবাবত পানী নষ্ট নকৰাৰ বাবে স্পষ্টীকৰণ দিছিল। এইটো এক বৃহৎ সাফল্য আছিল গ্ৰাম্য ব্যক্তিসকলৰ এটা আন্তঃৰাষ্ট্ৰীয় বহুমুখী প্ৰতিষ্ঠানৰ বিৰুদ্ধে। যি আন ব্যক্তিসকলকো উৎসাহিত কৰিছিল। এই ধৰণৰ উন্নয়নমূলক সংবাদে দৈনন্দিন বাতৰিবোৰতকৈ এক ব্যতিক্ৰম সমাজৰ হকে কাম কৰে।

এই ধৰণৰ উন্নয়নমূলক সংবাদে ৰাজ্য তথা দেশৰ প্ৰতিজন ব্যক্তিক উৎসাহিত কৰিব।

সেয়েহে এনেধৰণৰ সংবাদসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। কিয়নো ই সমাজৰ বৃহৎ সংখ্যক লোকক সহায় কৰিব।

ছ) ফটো সাংবাদিকতা ঃ ফটো সাংবাদিকতা ছপা মাধ্যমৰ সাংবাদিকতাৰ বাবে এক প্ৰয়োজনীয় বিষয়। প্ৰায়ে কোৱা হয় ছবিয়ে কথা কয়। সেয়েহে ফটো এখনে বাতৰি এটা প্ৰকাশত সহায় নকৰে বৰঞ্চ বাতৰিটো অধিক আকৰ্ষণীয় কৰি তোলে। তদুপৰি পাঠকসকলৰ মনতো প্ৰভাৱ পেলায়। যি নহওক ফটো সাংবাদিকতা ইমান সহজ নহয়। যথেষ্ট কষ্ট কৰাৰ পাছতহে এখন ভাল ফটো ল'ব পাৰে। ফটো এখন লোৱাৰ পৰা ইয়াৰ আনুষংগিক কামবোৰৰ বাবে সময়ৰ প্ৰয়োজন হয়। এজন ফটো সাংবাদিকৰ ফটোগ্ৰাফীত দক্ষতা থকাৰ লগতে, সাহস আৰু ধৈর্য্যৰো প্ৰয়োজন। ফটো সাংবাদিকজনৰ যথেষ্ট জ্ঞানৰ প্ৰয়োজন ডিজিটেল প্ৰযুক্তিবিদ্যাৰ ওপৰত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অনলাইন সাংবাদিকতা কি?

.....

.....

প্রশ্ন নং ২ ঃ ষ্ট্রিং অপাৰেশ্যনক আপুনি অনুসন্ধানমূলক সাংবাদিকতাৰ ভাগ বুলি বিবেচনা কৰেনে?

.....

.....

.....

প্রশ্ন নং ৩ ঃ বস্তুনিষ্ঠ সাংবাদিকতা কি?

.....

.....

প্রশ্ন নং ৪ ঃ ফটো সাংবাদিকতা ছপা মাধ্যমৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি বিবেচনা কৰেনে? কিয়?

.....

.....

.....

৩.৪ বৃত্তি হিচাপে সাংবাদিকতা

বৃত্তি বা পেছা হিচাপে সাংবাদিকতাই অগ্রগতি লাভ কৰিছে। বৰ্তমান সময়ত সাংবাদিকতাৰ ক্ষেত্রখনে নিজৰ প্ৰতিভা দেখুওৱাবৰ বাবে বিভিন্ন সুযোগ প্ৰদান কৰিছে। সাংবাদিকতাৰ বৃত্তিটো যথেষ্ট আমোদজনক আৰু বিভিন্ন সুযোগেৰে ভৰা। লাহে লাহে সমাজত ইয়াৰ গুৰুত্ব বৃদ্ধি

পোৱাৰ লগতে সন্মানো আছে। বাতৰিকাকত বা আলোচনীৰ প্ৰচালন বৃদ্ধিয়ে যুৱচামৰ বাবে সাংবাদিকতাৰ বিভিন্ন ক্ষেত্ৰখনৰ সৈতে জড়িত হোৱাৰ সুবিধা প্ৰদান কৰে। এজন সাংবাদিক হ'বলৈ জ্ঞান আৰু দক্ষতাৰ প্ৰয়োজন। সাংবাদিক এজনে সফলতা লাভ কৰিবলৈ যথেষ্ট কষ্ট কৰিব লাগিব।

এজন সাংবাদিক হ'বলৈ লেখা-মেলা ভাল হ'ব লাগিব, সাংবাদিকতাৰ বিভিন্ন ভাগসমূহৰ জ্ঞান থকাৰ লগতে সাংবাদিকতাৰ নীতি-নিয়মসমূহ জনাটো প্ৰয়োজন। সাংবাদিকতাৰ তিনিখন ক্ষেত্ৰত বহুতো ভাল ব্যক্তিয়ে কাম কৰি আছে।

ক) ছপা মাধ্যমৰ সাংবাদিকতা ঃ বাতৰি কাকত আৰু ছপা মাধ্যমৰ জৰিয়তে এই ধৰণৰ সাংবাদিকতাই সংবাদসমূহ উপস্থাপন কৰে। ষ্টাফ প্ৰতিবেদক, বিশেষ প্ৰতিবেদক, সম্পাদক, মুখ্য সম্পাদক, ৰাজনীতি বিশেষজ্ঞ, কাৰ্টুনিষ্ট, স্তম্ভলেখক, ফিচাৰ লেখক আদি বৃত্তিসমূহ ইয়াৰ লগত জড়িত। অভিজ্ঞ আৰু দক্ষতাপূৰ্ণ ব্যক্তিসকলে ৰাজনৈতিক, অৰ্থনৈতিক তথা দেশৰ কোনো এক অঞ্চলৰ সামাজিক অৱস্থাটোৰ ওপৰত বিশ্লেষণ আগবঢ়ায়। এই কৰ্মক্ষেত্ৰৰ লগত জড়িত ব্যক্তিসকলৰ লেখাসমূহৰ ওপৰত দক্ষতা থাকিব লাগিব যাতে পঢ়ুৱৈক আকৰ্ষিত কৰিব পাৰে। তেওঁলোকৰ ৰাজনীতিক, মালিকপক্ষ, সম্পাদক আৰু সংবাদ মাধ্যমৰ সৈতে জড়িত ব্যক্তিসকলৰ সৈতে এক সু-সম্পৰ্ক থাকিব লাগিব।

সম্পাদনাৰ লগত জড়িত ব্যক্তিসকলৰ কিবা এটা জানিবৰ বাবে আগ্ৰহ থাকিব লাগিব। তেওঁলোকৰ ইংৰাজী ভাষাটোৰ ওপৰত দখল থকাৰ লগতে ৰাজনীতি, চৰকাৰ, বিভিন্ন সংবাদ তথা অন্যান্য ব্যক্তিসকলৰ সৈতে এক সম্পৰ্ক ৰাখিব লাগিব তেওঁলোকৰ পৰা সংবাদ লাভ কৰিবৰ বাবে। আজিকালি সংবাদ মাধ্যমসমূহত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰা ব্যক্তিসকলেও ভিৰ কৰেহি কাম কৰিবৰ বাবে।

খ) ৰেডিঅ' সাংবাদিকতা ঃ এইবিধ সাংবাদিকতাত ৰেডিঅ'ৰ মাধ্যমেৰে সংবাদ আৰু আন তথ্যসমূহ জনসাধাৰণৰ বাবে সম্প্ৰচাৰ কৰা হয়। এই কৰ্মক্ষেত্ৰখনৰ লগত জড়িত ব্যক্তিসকলক ৰেডিঅ' সাংবাদিক বুলি জনা যায়। ৰেডিঅ' সাংবাদিকসকলে বাতৰি সংগ্ৰহ কৰাৰ লগতে জনপ্ৰিয় ব্যক্তিসকলৰ সাক্ষাৎকাৰ লোৱাৰ বাবে দায়বদ্ধ। প্ৰয়োজন অনুসাৰে সাধাৰণ ব্যক্তিসকলৰ পৰাও সংবাদ সংগ্ৰহ কৰিব পাৰে। ইয়াৰ উপৰি বিভিন্ন এজেন্সি, যেনে— ইউনিবাৰ্তা, ভাষা, ৰাইটাৰছ, ইউ-এন-আই, পি-টি-আৰি পৰাও সংগ্ৰহ কৰে। তেওঁলোকে কেৱল সংবাদ সংগ্ৰহৰ ক্ষেত্ৰতে দক্ষ নহয় বৰঞ্চ বাণীবন্ধন সামগ্ৰীসমূহ চলোৱাৰ লগতে অডিঅ' আৰু কম্পিউটাৰো ভালদৰে ব্যৱহাৰ কৰিব জানে।

গ) টেলিভিশ্যন সাংবাদিকতা ঃ টেলিভিশ্যন সাংবাদিকতা এনে এক জনপ্ৰিয় ক্ষেত্ৰ য'ত বহুতো ব্যক্তি নিযুক্ত হৈ আছে। সময়ৰ লগে লগে টেলিভিশ্যন সাংবাদিকতাৰ গুৰুত্ব বৃদ্ধি পাই আহিছে ইয়াৰ গ্লেমাৰসৰ্বস্বতাৰ বাবে। কেমেৰাৰ সন্মুখত কাম কৰাৰ আশাৰে বহুতো ব্যক্তি এই ক্ষেত্ৰখনৰ সৈতে জড়িত হয়। এজন টিভি সাংবাদিক হ'বৰ বাবে সুন্দৰ ব্যক্তিত্ব, সুন্দৰ উচ্চাৰণ, ভাষাৰ ওপৰত জ্ঞান থকাৰ লগতে সাক্ষাৎ গ্ৰহণ কৰা ব্যক্তিৰ পৰা সংবাদ আৰু তথ্য উলিয়াব

পাৰিব লাগিব। দূৰদৰ্শন সাংবাদিকতাত সংগীতৰ বাণীবন্ধন, নৃত্যানুষ্ঠান আদিৰ বাবে ঘোষক-ঘোষিকা বা অনুষ্ঠান আঁত ধৰিবৰ সুযোগো প্ৰদান কৰে।

ঘ) ইণ্টাৰনেট সাংবাদিকতা ঃ বৰ্তমান সময়ত প্ৰতিজন ব্যক্তি ইণ্টাৰনেট সাংবাদিকতাৰ সৈতে পৰিচিত। ইণ্টাৰনেটৰ গুৰুত্ব বৃদ্ধি পোৱাৰ লগে লগে ইণ্টাৰনেট সাংবাদিকতাৰো সম্প্ৰসাৰিত হৈছে। ৱেব মাষ্টাৰ, মাল্টিমিডিয়া স্পেচিয়েলিষ্ট, এইছ-টি-এম-এল আৰু ইয়াৰ কাৰ্যাৱলীসমূহ, জাভা স্পেচিয়েলিষ্ট আদি পেছাদাৰী কাম কৰা ব্যক্তিসকলে বিভিন্ন ৱেব-ছাইট তৈয়াৰ কৰে। আচলতে, ইণ্টাৰনেট সাংবাদিক বুলি আমি সেইজনকে ক'ব পাৰিম যি বৃহৎ সংখ্যক লোকৰ বাবে ৱেব-ছাইটৰ জৰিয়তে সংবাদ প্ৰকাশ কৰিব। ইয়াৰ উপৰিও তেওঁলোকে কিছুমান মাল্টিমিডিয়া ক্লিপছ, বেনাৰ আদি ৱেব-ছাইটত প্ৰকাশ কৰে। বৰ্তমান সময়ত সৰহভাগ বাতৰিকাকতৰে ইণ্টাৰনেট সংস্কৰণ আছে। বাতৰিকাকতকৈ ইণ্টাৰনেট সংস্কৰণ জনসাধাৰণৰ মাজত বেছিকৈ জনপ্ৰিয়। কনণ্টে ৰাইটাৰ বা ইণ্টাৰনেট সাংবাদিকজনেই বাতৰিৰ সকলোবোৰ দিশ চোৱা-চিতা কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ছপা মাধ্যমৰ সৈতে জড়িত হৈ থকা ব্যক্তিসকলৰ কোন কোন শ্ৰেণীত বিভক্ত কৰা হৈছে?

.....

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাংবাদিকতা মানে হ'ল তথ্য সংগ্ৰহ আৰু লেখা-মেলাৰ উপৰিও সম্পাদনাৰ জৰিয়তে বাতৰি এটা প্ৰকাশ কৰা।
- ছপা মাধ্যৰম সাংবাদিকতাই অনুসন্ধানমূলক আৰু আন বাতৰিসমূহ এক বৃহৎ সংখ্যক লোকৰ বাবে প্ৰকাশিত হোৱাটো সূচায়। ছপা মাধ্যমৰ সাংবাদিকতাৰ লক্ষ্য হ'ল জনসাধাৰণক বিভিন্ন তথ্য প্ৰদান কৰাৰ লগতে সমাজৰ সকলো দিশ, যেনে — কলা, শিক্ষা, দেশ-বিদেশৰ আমোদজনক খবৰ প্ৰদান কৰা।
- সম্প্ৰচাৰণ সাংবাদিকতা হ'ল ইলেক্ট্ৰনিক মাধ্যমৰ জৰিয়তে সংবাদ তথা তথ্য সমূহৰ ভিত্তিক সাংবাদিকতাৰ অন্তৰ্গত।
- অনলাইন সাংবাদিকতা হ'ল য'ত বাতৰি পৰিবেশন আৰু সম্পাদনা অনলাইন অৰ্থাৎ ইণ্টাৰনেটৰ মাধ্যমেৰে কৰা হয়।
- বস্তুনিষ্ঠ সংবাদ হৈছে যেতিয়া কোনো ঘটনা ঘটে, তেতিয়া সেই ঘটনাৰ ওপৰত আলোকপাত কৰা।

- বিশ্লেষণমূলক সাংবাদিকতাই চৰকাৰৰ সংবাদ নাতি আৰু কার্যসূচীসমূহৰ পর্যালোচনা আগবঢ়াই।
- অনুসন্ধানমূলক সাংবাদিকতাই এক দীঘলীয়া অনুসন্ধানৰ জৰিয়তে বাতৰিৰ সত্যতা প্রচাৰ কৰে। নজনা খবৰসমূহ অনুসন্ধানমূলক সাংবাদিকতাৰ জৰিয়তে ফাদিল কৰা হয়।
- সাংবাদিকতাৰ ক্ষেত্রখনৰ বিজ্ঞান সাংবাদিকতা এটা নতুন বিষয় য'ত সাংবাদিক এদনে বিজ্ঞান বিষয়ক তথ্যসমূহ প্রকাশ কৰে।
- সন্মিলিত সাংবাদিকতা সাংবাদিকতাৰ জগতখনৰ এটা গুৰুত্বপূর্ণ ভাগ। য'ত সাংবাদিকতা বিভিন্ন ভাগসমূহ — ছপা মাধ্যম, ফটো আৰু ভিডিঅ' মাধ্যমে একেগলে সন্মিলিতঙাৱে কাম কৰে।
- উন্নয়নমূলক সাংবাদিকতা হৈছে এনে ধৰণৰ সাংবাদিকতা যি উন্নয়নৰ ওপৰত গুৰুত্ব প্রদান কৰে।
- সাংবাদিকতাৰ তিনিখন ক্ষেত্রত বহুতো ভাল ব্যক্তিয়ে কাম কৰি আছে — ছপা, ৰেডিঅ', টেলিভিশ্যন আৰু ইণ্টাৰনেট।

৩.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Chaudhary, J. C. (2007), *Introduction to Journalism and Mass Communication*, New Delhi : Authors Press.
2) Menon, P.K. (2005), *Practical Journalism*, Jaipur : Aavishkar Publishers, Distributors
3) Pant, N.C. (2002), *Modern Journalism, Principles and Practice*, New Delhi : Kanishka Publishers, Distributors
4) Syed, M.H. (2006), *Career in Journalism*. New Delhi : Anmol Publications Pvt. Ltd.

৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অনলাইন সাংবাদিকতা হৈছে এনে এক সাংবাদিকতা য'ত সংবাদ সংগ্রহ, সম্পাদনা আদি ইণ্টাৰনেটৰ মাধ্যমেৰে কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ হয়, ষ্ট্রিং অপাৰেশ্যনক অনুসন্ধানমূলক সাংবাদিকতাৰ এক অংশ বুলি কোৱা হয়। কিয়নো ষ্ট্রিং অপাৰেশ্যনত এক গভীৰ অধ্যয়ন প্রয়োজন হয়। ইয়াৰ জৰিয়তে জনসাধাৰণে নজনা গোপন তথ্যবোৰ ফাদিল কৰিব পাৰি।